**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-JUNE-2026
**Time :** 11 AM

**Assamese 11 AM PM Bulletin**

—————————————————

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি সন্ধিয়া নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত চলিত বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰিব। এখন চৰকাৰী বিজ্ঞপ্তিত প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতিগৰাকীয়ে আজিৰ অনুষ্ঠানত দুটা পদ্ম বিভূষণ, ৭টা পদ্মভূষণ আৰু ৫৬টা পদ্মশ্ৰী বঁটাকে ধৰি মুঠ ৬৫টা পদ্ম বঁটা প্ৰদান কৰিব। পদ্ম বঁটাৰ বাবে নিৰ্বাচিত বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত টেনিছ্ তাৰকা বিজয় অমৃতৰাজ, অভিনেতা মামুট্টি, কণ্ঠশিল্পী অলকা য়াগনিক, ক্ৰিকেটাৰ ৰোহিত শৰ্মা অন্যতম। গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যা চৰকাৰে ২০২৬ বৰ্ষৰ বাবে ৫টা পদ্ম বিভূষণ বঁটাকে ধৰি মুঠ ১৩১টা পদ্ম বঁটাৰ বাবে নিৰ্বাচিত ব্যক্তিৰ নাম ঘোষণা কৰিছিল। উল্লেখযোগ্য যে কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱা আদি বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় অৱদানৰ বাবে প্ৰতিবছৰে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান হিচাপে এই পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়।

০০০০০০

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ আজি প্ৰতিষ্ঠা দিৱস। মহাৰজত জয়ন্তীৰ বৰ্ষত ভৰি দিয়া এই পৰিষদ ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচিৰ অধীনত ১৯৫২ চনৰ ২৩ জুনত গঠন কৰা হৈছিল। এই উপলক্ষে আজি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড০ তুলিৰাম ৰংহাঙে কাৰ্বি জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। আঞ্চলিক স্বায়ত্তশাসন, সাংস্কৃতিক ঐতিহ্য আৰু উন্নয়নৰ বাবে গঠন কৰা এই পৰিষদৰ জৰিয়তে থলুৱা জনগোষ্ঠীৰ ভূমিৰ অধিকাৰ আৰু চহকী ঐতিহ্যক সুৰক্ষিত কৰি ৰখাৰ উদ্দেশ্যে নিহিত হৈ আছে। ১৯৯৫ চনত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক অধিক ক্ষমতা প্ৰদান কৰা হয়। কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ থলুৱা জনগোষ্ঠীৰ সৰ্বাত্মক বিকাশ আৰু সুৰক্ষিত ভৱিষ্যতৰ বাবে এই পৰিষদৰ জৰিয়তে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

ইফালে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ড০ ৰংহাঙৰ নেতৃত্বত পৰিচালিত ত্ৰয়োদশ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সমিতিত কাদম টেৰাংপি আৰু হেডছিং ৰংফাৰক কাৰ্যবাহী সদস্য হিচাপে অন্তৰ্ভুক্ত কৰিছে। লোকভৱনৰ পৰা জাৰি কৰা এখন জাননীত চৰকাৰৰ দ্বাৰা মনোনীত সদস্য মুকুট মহন্তৰ নাম কৰ্তন কৰি দৰছিং ৰংহাঙক স্থলাভিষিক্ত কৰা হৈছে। উল্লেখযোগ্য যে কাদম টেৰাংপি আৰু হেডছিং ৰংফাৰক কাৰ্যবাহী সদস্য হিচাপে নিযুক্তি দিয়াৰ লগে লগে কাৰ্বি স্বায়ত্তশাসিত পৰিষদত কাৰ্যবাহী সদস্যৰ সংখ্যা ১৪ৰ পৰা ১৬লৈ বৃদ্ধি পালে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি দিনৰ ১১ বজাত হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা ২০২৬ৰ ফলাফল ঘোষণা কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ

ৱেবচাইট sebaonline.org ফলাফল লাভ কৰাৰ লগতে মাৰ্কশ্বিট ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে এইবাৰৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাত ৬৪ হাজাৰ ৫০গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাত নতুনকৈ ৰেচন কাৰ্ড প্ৰস্তুত কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত ভিৰ নকৰিবলৈ ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা শাখাৰ পৰা জনসাধাৰণলৈ আহ্বান জনাইছে। বিগত কিছুদিন ধৰি নতুন ৰেচন কাৰ্ডৰ বাবে জনসাধাৰণে বিশেষকৈ মহিলাসকলে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা শাখাত আবেদন কৰিবলৈ সমাগম হোৱা পৰিলক্ষিত হৈছে। নতুন ৰেচন কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কোনো আনুষ্ঠানিক নিৰ্দেশনা বৰ্তমানলৈ জাৰি কৰা নাই বুলি বিভাগৰ তৰফৰ পৰা জনসাধাৰণক স্পষ্ট কৰি দিয়া হৈছে যদিও বহুলোকে কাৰ্যালয়ৰ সন্মুখত অযথা ভিৰ কৰি দৈনন্দিন বিভাগীয় কাম-কাজ পৰিচালনাত বাধাৰ সৃষ্টি কৰিছে। অৱশ্যে ৰেচন কাৰ্ড থকা হিতাধিকাৰীসকলে নিজৰ নাম স্থানান্তৰ বা সংশোধনৰ দৰে কামসমূহৰ বাবে আবেদন দাখিল কৰিব পাৰিব। হাটশিঙিমাৰী ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা শাখাৰ পৰিদৰ্শক বিনয়ম কৃষ্ণ শৰ্মাই এইদৰে কয়।

**বাইট (বিনয়ম কৃষ্ণ শৰ্মা)**

০০০০০০

মাজুলী ওপৰ সোণোৱাল কাংকান ক্লাবৰ উদ্যোগত আৰু প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সহযোগত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা ২০২৬ আৰম্ভ হৈছে। মাজুলীৰ বিশিষ্ট শিক্ষাবিদ ড০ আনন্দ হাজৰিকাই শুভাৰম্ভ কৰা উদ্বোধনী খেলখন কাৰছাং ফুটবল একাদশ আৰু ডি জে ফুটবল একাদশৰ মাজত অনুষ্ঠিত হয়। মুঠ ১৬টা দলৰ মাজত হ'বলগীয়া এই প্ৰতিযোগিতাৰ খেলসমূহ উপভোগ কৰিবলৈ ভালেসংখ্যক দৰ্শকৰ আগমন হোৱা পৰিলক্ষিত হৈছে। কাংকন চাপৰি খেলপথাৰত চলি থকা এই প্ৰতিযোগিতা অহা ১২ জুলাইত অন্ত পৰিব।

০০০০০০

**সমাপ্ত**